**অসম বিধান সভা**
**তৰা বিহীন প্ৰশ্ন নং-১৬৫**
**উত্তৰ দিয়াৰ তাৰিখ-০৯.০৭.২০২৬**

বিষয়: কৃত্ৰিম বানপানীৰ স্থায়ী সমাধান।
বিধায়ক : শ্ৰী অৰূপ কুমাৰ দে

**প্ৰশ্ন**

মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অলপ বৰষুণ দিলেই বিজনী পৌৰসভা এলেকাৰ অন্তৰ্গত বিভিন্ন ৱাৰ্ড তথা চহৰৰ মুখ্য পথসমূহ কৃত্ৰিম বানপানীৰ ফলত জনজীৱন বিপৰ্য্যস্ত হৈ পৰা বিষয়টো চৰকাৰ অৱগতনে?

(খ) বিগত ৫ (পাঁচ) বছৰত বিজনী চহৰৰ নলা-নৰ্দমা নিৰ্মাণ আৰু সংস্কাৰৰ বাবে বিভাগৰ জৰিয়তে কিবা কাম কৰা হৈছিল নেকি? (সবিশেষ তথ্য সদনত দিব)

(গ) বিজনী চহৰৰ এই কৃত্ৰিম বানপানীৰ স্থায়ী সমাধানৰ বাবে কিবা সু-পৰিকল্পিত আধুনিক আঁচনি চৰকাৰে গ্ৰহণ কৰিব নেকি?

(ঘ) যদি কৰে, কেতিয়ালৈকে কৰিব, জনাবনে?

**উত্তৰ**

মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে শ্ৰী কৌশিক ৰায় দেৱে উত্তৰ দিবঃ

**(ক)** বিজনী পৌৰসভাৰ কৃত্ৰিম বানপানী বিষয়টো চৰকাৰ অৱগত।

**(খ)** গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনৰ বিজনী পৌৰসভাই বিগত ৫ (পাচ) বছৰত বিজনী চহৰ এলেকাত SOPD আঁচনিৰ জৰিয়তে ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত সৰ্বমুঠ ৯৬,৬৩,৫৭৫.০০ টকা ব্যয় সাপেক্ষে পাঁচটা পথত মুঠ ১১০ মিটাৰ পকী নলা নিৰ্মাণ কৰা হৈছে।

15 F.C. ৰ ২০২৩-২৪ পুঁজিৰ মুঠ ৪২,৭৭,৩৪৮.০০ টকা ব্যয় সাপেক্ষে দুটা পথত মুঠ ৩০১.৫ মিটাৰ পকী নলা নিৰ্মাণ কৰা হৈছে।

6th F.C. ৰ ২০২৩-২৪ পুঁজিৰ মুঠ ৪.০০ লাখ ব্যয় সাপেক্ষে এটা পথত মুঠ ৫৯ মিটাৰ পকী নলা নিৰ্মাণ কৰা হৈছে।

অসম চৰকাৰৰ গৌৰৱ পথ আঁচনিৰ যোগে গড়কপ্তানি বিভাগে সুবাইঝাৰ পথত দুইপিনে ১০০০ মিটাৰ পকী নলা নিৰ্মাণ কাৰ্য কৰি আছে।

পৌৰসভাৰ পুঁজিৰ পৰা ২০২৪-২৫ বৰ্ষত মুঠ ১১,১২,০০০.০০ টকা ব্যয় সাপেক্ষে এটা পথত মুঠ ৭৬.৪০ মিটাৰ পকী নলা নিৰ্মাণ কৰা হৈছে। (সবিশেষ তথ্য পৰিশিষ্ট "ক" ত সংলগ্ন কৰা হল।"

**(গ)** গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনৰ বিজনী পৌৰসভাই বিজনী চহৰৰ এই কৃত্ৰিম বানপানীৰ স্থায়ী সমাধানৰ বাবে সু-পৰিকল্পিত বিজ্ঞানসন্মত নলা- নৰ্দমা নিৰ্মানৰ বাবে প্ৰয়োজনীয় ড্ৰেইনেজ মাষ্টাৰ প্লেন (Drainage Master Plan) সম্পৰ্কত ইতিমধ্যে বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদ (Bodoland Territorial Council) ৰ বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰোৱা হৈছে। এতিয়ালৈকে এই সন্দৰ্ভত কোনো পুঁজিৰ অনুমোদন দিয়া হোৱা নাই যদিও কৃত্ৰিম বানপানী প্ৰতিৰোধ কৰিবলৈ বিজনী পৌৰসভাৰ নলা সমূহ 15TH F.C (tied grant) 2nd Installment ৰ Rs. 14,17,943.00 পুঁজিৰ যোগেদি পৰিস্কাৰ কৰাৰ আঁচনি লোৱা হৈছে আৰু কৃত্ৰিম বানপানী প্ৰতিৰোধৰ বাবে 15TH F.C (tied grant) 2nd Installment ৰ Rs. 39,00,000.00 পুঁজিৰ যোগেদি ১৩০ মিটাৰ Strom Drain Gate নিৰ্মাণ কৰা হব।ইতিমধ্যে 6TH F.C (Gap Grant) ৰ Rs. 9,25,000.00 পুঁজিৰ যোগে নতুনকৈ পকী নলা নিৰ্মাণৰ আঁচনি লোৱা হৈছে। (সবিশেষ তথ্য পৰিশিষ্ট "খ" ত সংলগ্ন কৰা হল।"

**(ঘ)** এই সন্দৰ্ভত ড্ৰেইনেজ মাষ্টাৰ প্লেন সম্পূৰ্ণ হলেই বিজ্ঞান সন্মত অত্যাধুনিক নলা নিৰ্মাণৰ আঁচনি লব পৰা যাব।

**বি. দ্ৰ. : ওপৰত উল্লেখ কৰা পৰিশিষ্ট সমূহ অসম বিধান সভাৰ ৱেবচাইটত আপলোড কৰা হৈছে**

…………………..

পৰিশিষ্ট 'ক'

# DETAILS OF CONSTRUCTION OF DRAIN UNDER VARIOUS SCHEME

| Sl. No | Name Schemes | Name of work | Location | Administrative Approval No | Approved Amount | Physical progress | Financial Progress | Remarks |
|---|---|---|---|---|---|---|---|---|
| 1 | SOPD 2022-23 | Construction of RCC Covered Drain along Thakurbari Road (From Trailoikya Choudhury to Existing Pucca drain of Thakurbari Road& from Jitu Das to existing Pucca drain) in Ward No-3 | | No.BTC/UD-85/2022-23/4 Dt. 6/12/2023 | 27,71,875.00 | | | 162 M |
| 2 | SOPD 2023-24 | Construction of RCC Drain at Kinaram Road under SOPD-OPD for the year 2020-21 | W/No-1 | | 21,91,700.00 | Nil | Nil | 312 M |
| 3 | | Construction of RCC Pucca Drain Cura Footpath along P.B Road attached with Bijni Boro Kalibari in ward No.1 | W/No-1 | No.BTC/UD-43/2023-24/16, Dt. 06/11/2023 | 10,00,000.00 | Nil | Nil | 66.00 R.M DEMAND SUBMITTED |
| 4 | SOPD 2024-25 | Construction of RCC Pucca Drain Cum Footpath along Bye lane of BKB Road (from Katinath Basumatary house to Basanti Kalibari Mandir at ward No.2 Under Bijni Municipal Board, Bijni under SOPD Grant for the Year 2024-25 | W/No-2 | No. BTC/UDD/SOPD/44/2024/17, Dt. 16/09/2024 | 37,00,000.00 | 100% | 100% | 233 M |
| 5 | | | | | | | | |
| 6 | | | | | | | | |
| 7 | | | | | | | | |
| 8 | 15$^{TH}$ FINANCE 2023-24 (UNTIED) | Construction of RCC Covered Drain From BMB Office to Irrigation Road in Ward No-3 | W/No-3 | No. BTC/FC-Cell(15th F.C-Untied)/ULB-72/2023/240, 11/09/2023 | 20,77,348.00 | 100% | 100% | 164.50 R.M |
| 9 | | Renovation and re- Construction of RCC Covered Drain cum foot path along Girija Mukharjee Road in Ward No-2 | W/No-2 | No. BTC/FC-Cell(15thF.C)/ULB-95/2023/24, Dt. 08/12/2023 | 22,00,000.00 | 100% | 100% | 137.00 R.M |
| 10 | | | | | | | | |
| 11 | 6$^{TH}$ FINANCE 2020-21 DURING 2023-24 | Renovation and Re construction of Pucca drain of Bijni Panbari PWD Road, From LNB Road to Bijni Subaijhar PWD Road in ward No-4 | W/No-4 | No.BTC/FC-Cell(6th ASFC)-ULB-92/2024/5, Dt. 12/12/2024 | 8,00,000.00 | 100% | 100% | WORK ORDER HAS ALREADY BEEN ISSUED 59.00 |
| 12 | | | | | | | | |
| 13 | | | | | | | | |
| 14 | | | | | | | | |
| 15 | BMB OWN FUND 2024-25 | Construction of RCC Covered Drain cum footpath with one RCC Box culvert along Uday Ch. Das Road in ward. no.3 under Bijni Municipal Board, Bijni under BMB Own Fund for the 2023-24 | W/No-3 | | 11,12,000.00 | 100% | 100% | 76.40 |

# BIJNI MUNICIPAL BOARD
# PROPOSED SCHEME (FY 2025-26)

| | |
|---|---|
| 1. Construction of Drain at Bijni Town under 6th ASFC(Gap Grant) fund amounting Rs 9,25,000.00 | As per Departmental committee meeting for ULBs in BTC in the Office Chamber of Hon'ble E.M ,UDD, BTC Govt , Kokrajhar the scheme has been Sanctioned. |
| 2. Cleaning Drainage at Bijni Town under 15th FC (Tied Grant) 2nd Instalment amounting Rs 14,17,943.00 | As per Departmental committee meeting for ULBs in BTC in the Office Chamber of Hon'ble E.M ,UDD, BTC Govt , Kokrajhar the scheme has been Sanctioned. |
| 3. Construction of Heavy Strom Drain Gates under 15th FC (Tied Grant) Fund amounting Rs 39,00,000.00 | As per Departmental committee meeting for ULBs in BTC in the Office Chamber of Hon'ble E.M ,UDD, BTC Govt , Kokrajhar the scheme has been Sanctioned. |